# Course 507

# সমাজ আৰু শিক্ষা

ব্লক - 1

গোট - 1

টোকা

## গোট - 1 ঃ সমাজ আৰু শিক্ষা

## গঠন ঃ

1.0 পাতনি
1.1 শিকন উদ্দেশ্যসমূহ
1.2 সমাজ ঃ অৰ্থ আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহ
1.3 ভাৰতীয় সমাজৰ বিৱৰ্তন
1.4 সমাজ আৰু শিক্ষা সংযোজন
1.5. সমাজৰ অংগ হিচাবে বিদ্যালয়
1.6 সাৰাংশ প্ৰস্তুতকৰণ
1.7 আপোনাৰ অগ্ৰগতি পৰীক্ষণৰ বাবে উত্তৰ
1.8 পৰামৰ্শিত পঠন আৰু প্ৰসংগ
1.9 পাৰিভাষিক শব্দৰ তালিকা
6.10 গোটৰ সমাপ্তিৰ অনুশীলনী

## 1.0 পাতনি

সমাজ কি, ভাৰতীয় সমাজৰ প্ৰকৃতি আৰু ব্যক্তি আৰু সমাজৰ যোগাযোগ সম্পৰ্কৰ বিষয়ে এই গোটত আপুনি শিকিব। সমাজৰ বিভিন্ন প্ৰতিষ্ঠান যেনে পৰিয়াল, শিক্ষা, ধৰ্ম, প্ৰশাসনিক ব্যৱস্থা, অৰ্থনীতি আদিৰ বিষয়েও স্পষ্টকৈ দেখুওৱা হৈছে। এই প্ৰতিষ্ঠানবোৰৰ জৰিয়তে সমাজত ইয়াৰ গঠন আৰু কাৰ্যপ্ৰণালী সম্পৰ্কে অৱগত হ'ব। যিহেতু এই গোটটোৰ শিৰোনাম সমাজ আৰু শিক্ষা, সেয়েহে সমাজ আৰু শিক্ষা ব্যৱস্থাৰ মাজৰ সম্পৰ্কত বুজি পোৱাৰ ওপৰতহে বিশেষকৈ আলোকপাত কৰা হৈছে। শিক্ষানুষ্ঠানসমূহ হৈছে সমাজৰ এক বৃহৎ অবিচ্ছেদ্য অংগ আৰু শিকন হৈছে সামাজিক উৎপাদন। সেয়েহে সমাজ বা মানবতা উন্নয়নত শিক্ষা ব্যৱস্থাৰ বৃহৎ অৱদানৰ বিষয়ে আপুনি শিকিব। ইয়াৰোপৰি সমাজ একোখনে সামাজিক সাংস্কৃতিক উপাদান, অৰ্থনৈতিক পৰিৱেশ, ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত সমাজৰ মান আৰু মূল্যবোধৰ আধাৰত শিক্ষানুষ্ঠানসমূহৰ প্ৰকৃতি আৰু উন্নয়নৰ গঢ় দিয়ে।

টোকা

## 1.1 শিকন উদ্দেশ্যসমূহ ঃ

এই গোটতো অধ্যয়ন কৰাৰ পিছত আপুনি সক্ষম হ'ব—

(ক) সমাজৰ সংজ্ঞা নিৰূপণ আৰু ইয়াৰ উপাদানস্বৰূপ অনুষ্ঠানসমূহ আলোচনা কৰিবলৈ আৰু সেইবোৰৰ সম্পৰ্ক আৰু কাৰ্যসমূহৰ বিষয়ে ব্যাখ্যা কৰিবলৈ

(খ) ভাৰতীয় সমাজৰ প্ৰকৃতি, ইয়াৰ বিৱৰ্তন আৰু শিক্ষা ব্যৱস্থাৰ লগত ইয়াৰ সম্পৰ্কৰ বৰ্ণনা কৰিবলৈ

(গ) সমাজ আৰু শিক্ষাৰ মাজৰ সংযোজনৰ বিষয়ে বিশ্লেষণ কৰিবলৈ

(ঘ) সমাজৰ অংগ হিচাবে বিদ্যালয়ৰ ভূমিকা আলোচনা কৰিবলৈ।

## 1.2 সমাজ ঃ অৰ্থ আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহ ঃ

সমাজ হৈছে এক 'সম্পৰ্কৰ জাল' আৰু মানুহৰ আচৰণ বুজিবলৈ আৰু সমাজৰ বিভিন্ন প্ৰতিষ্ঠানৰ বিষয়ে জানিবলৈ এই সম্পৰ্কবোৰ হৈছে অত্যাৱশ্যকীয় নাইবা মৌলিক সূত্ৰ। আপোনাৰ সমাজ, সম্প্ৰদায় আৰু পৰিয়ালৰ মাজৰ বিভিন্ন সম্পৰ্ক সম্বন্ধে আপুনি সচেতন হ'ব পাৰিব। পৰিয়ালৰ মাজত মাক, দেউতাক, পুতেক, জীয়েক, পতি, পত্নী, ককাই-ভাই, বাই-ভনী, এই সম্পৰ্কবোৰক প্ৰাথমিক বা মুখ্য সম্পৰ্ক আৰু খুড়া খুড়ী, ভতিজা আদিক গৌণ বা দ্বিতীয় সম্পৰ্ক বুলি ধৰা হয়। ইয়াৰ মাজতে ক্ৰম অনুযায়ী তৃতীয় সম্পৰ্ক এবিধো অন্তৰ্ভুক্ত হৈ থাকে যেনে বন্ধু, ওচৰ-চুবুৰীয়া আৰু তেনে ধৰণৰ অন্য বহুতো সম্পৰ্ক। এই সামাজিক সম্পৰ্কবোৰ সমাজত তেওঁলোকৰ ভূমিকা পদমৰ্যাদাৰ পৰা বুজিব পাৰি। ভূমিকা হৈছে এজন ব্যক্তিৰ কাৰ্যৰ এটা সংহতি, এজন শিক্ষকে বিদ্যালয়ত প্ৰশাসনিক কামকাজৰ পৰা শ্ৰেণী কোঠাত সম্পাদন কৰা দলীয় ক্ৰিয়া-কলাপ, মূল্যায়ন, ইত্যাদি শিক্ষণৰ লগত জড়িত বিভিন্ন কাম কৰে। ঠিক একেদৰেই তেওঁ পৰিয়াল বা অন্যান্য পৰিৱেশতো কাম কৰে। এনেদৰে এজন ব্যক্তিয়ে দৈনন্দিন জীৱনত বিভিন্ন ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, এজন ব্যক্তিয়ে তেওঁৰ সন্তানৰ বাবে পিতৃৰ ভূমিকা, পিতৃ-মাতৃৰ বাবে সন্তানৰ ভূমিকা, পত্নীৰ বাবে পতিৰ ভূমিকা, তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষকৰ ভূমিকা আৰু অন্যান্য ভূমিকাও পালন কৰে। এই কথাটোৱে দেখুৱাইছে যে সামাজিক পটভূমিৰ পৰিৱৰ্তনৰ লগে লগে ভূমিকাৰো পৰিৱৰ্তন হয় আৰু প্ৰতিটো ভূমিকাই সামাজিক পদ মৰ্যাদাৰ লগত সাঙোৰ কাই থাকে। ভূমিকা আৰু সমাজত তেওঁৰ স্থিতি বা পদ মৰ্যাদা দুয়োটাই সমাজৰ কিছুমান নিৰ্দিষ্ট মান আৰু মূল্যবোধৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। অন্য ধৰণে ক'বলৈ হ'লে আমি ক'ব পাৰো যে মান আৰু মূল্যবোধ হৈছে যৌথ বিবেক আৰু যিকোনো সমাজৰ অলিখিত সংবিধান যাক সমাজৰ সকলো সদস্যই জানে। ইয়াৰ লগত সমাজত শাস্তি আৰু পুৰস্কাৰ নীতিও সাঙোৰ খাই থাকে। সেয়েহে, সামাজিক সম্পৰ্কৰ বোধ, ভূমিকা আৰু পদমৰ্যাদা, মান আৰু মূল্যবোধ এই সকলোবোৰক সামৰি সমাজক বুজাব পাৰি।

লেটিন ভাষাৰ Societas শব্দৰ পৰা 'Society' শব্দটোৰ উৎপত্তি হৈছে। ইয়াৰ



টোকা

অৰ্থ হ'ল বন্ধু আৰু মিত্ৰ। দলৰ মাজত ভাব বিনিময় নাইবা একোটা সম্পৰ্কক বৰ্ণনা কৰিবলৈ শব্দটো ব্যৱহাৰ কৰা হয়। এক বৃহৎ সংখ্যক চিন্তাবিদ, সমাজতত্ববিদ, সামাজিক নৃতত্ববিদ আৰু অন্য সমাজবিজ্ঞানীয়ে সমাজৰ ধাৰণাটোক বৰ্ণনা কৰিছে। এই সংজ্ঞাসমূহৰ ভিতৰত সমাজত মূল গোট হিচাবে দুটা পথ অনুসৰণ কৰা হয়— প্ৰথমটো 'সামাজিক কাৰ্য, আৰু অন্যটো হ'ল ভাব বিনিময়।

সেয়েহে আমি সমাজক মানুহৰ ডাঙৰ দল হিচাবে চাব পাৰো য'ত ইজনে সিজনৰ লগত ভাব বিনিময় কৰে, একেই সংস্কৃতি, ভূ-ভাগৰ অংশীদাৰ হয়, আৰু একেই জীৱন পথৰ পথিক হয়। ইয়াৰ (সমাজৰ) ব্যৱহাৰ অত্যন্ত ব্যাপক।সৰু সম্প্ৰদায়ৰ পৰা (গাঁও) বিশ্ব মানৱ সমাজলৈ, প্ৰাগ ঐতিহাসিক সংস্কৃতিৰ পৰা উত্তৰ আধুনিক সংস্কৃতিলৈকে বিস্তৃত যদিও সময় আৰু স্থান বিশেষে পৃথক হয়। যি কি নহওক, সম্প্ৰদায় আৰু সমাজৰ ধাৰণা একে নহয়। সমাজ হৈছে এক মূৰ্ত, ব্যাপক আৰু সাধাৰণ ধাৰণা য'ত সম্প্ৰদায় হৈছে সমাজৰ উপাদান আৰু নিৰ্দিষ্ট ভূ-খণ্ডৰ বৈশিষ্ট্যৰে সমৃদ্ধ আৰু সাংস্কৃতিক সামঞ্জস্যৰে নিবিড় ভাবে সম্পৰ্কিত। Tolcott Parsons নামৰ আমেৰিকাৰ সমাজবিজ্ঞানীজনে সমাজৰ বাবে সামাজিক পদ্ধতি শব্দটো ব্যৱহাৰ কৰিছিল আৰু মানৱ আচৰণক ব্যাখ্যা কৰিবৰ বাবে ভাব বিনিময় শব্দটোকে মূল গোট হিচাবে বিবেচনা কৰিছিল। তেওঁৰ মতে ভাব বিনিময়ৰ বাবে বিভিন্ন ব্যক্তি বিষয়টোত জড়িত নোহোৱালৈকে প্ৰতিটো কাৰ্যকে সামাজিক কাৰ্য বুলি কোৱা নহয়।

**ব্যক্তি আৰু সমাজ**

প্ৰতিজন ব্যক্তিয়ে একোখন সমাজৰ একোজন সদস্য। সমাজৰ এজন সদস্য হিচাবে সমাজৰ ধাৰাবাহিকতাত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বিভিন্ন প্ৰতিষ্ঠানবোৰৰ প্ৰতি আপুনি নিশ্চয় সচেতন। সমাজত সামাজিক সম্পৰ্ক আৰু ইয়াৰ গতিশীলতাক বুজিবলৈ হ'লে ইয়াৰ মূল উপাদান অৰ্থাৎ সামাজিক প্ৰতিষ্ঠান আৰু সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে জনাতো প্ৰাসংগিক হ'ব। সমাজ আৰু সামাজিক সম্পৰ্কই মসৃণভাৱে কাম কৰি যাবৰ বাবে সামাজিক প্ৰতিষ্ঠানসমূহে নিৰ্দিষ্ট কৰা কিছুমান নিয়ম বা মানৰ সমষ্টিক (Set of norms) মানৱ আচৰণৰ বিভিন্ন দিশত প্ৰয়োগ কৰা হয়। এইবোৰ পৰিচালিত হয় সু-প্ৰতিষ্ঠিত, সহজে চিনাক্ত হোৱা আৰু সুস্থিৰ সামাজিক 'মান' (norms) ৰ দ্বাৰা। পৰিয়াল, শিক্ষা, ধৰ্ম, অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক প্ৰতিষ্ঠান বা ধৰ্মীয় প্ৰশাসনিক অনুষ্ঠানৰ দৰে কিছুমান গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান আছে যিবোৰে কোনো এখন বিশেষ সমাজৰ মান আৰু মূল্যবোধক অনুসৰণ কৰি সমাজত বিভিন্ন ভূমিকা পালন কৰে। এতিয়া আমি এই প্ৰতিষ্ঠানবোৰৰ বিষয়ে বিতংভাৱে অধ্যয়ন কৰিম।

1. পৰিয়ালেই হৈছে প্ৰথম বিদ্যালয় য'ত শিশুৱে প্ৰাৰম্ভিক শিকন আৰম্ভ কৰে। মাতৃগৰাকী প্ৰমুখ্যে পৰিয়ালৰ অন্যান্য সদস্যসকলে ইয়াত শিক্ষকৰ ভূমিকা পালন কৰে। আনকি বিদ্যালয়ৰ আনুষ্ঠানিক পদ্ধতিতো শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু পিতৃ-মাতৃৰ দৰে ভিন ভিন ভূমিকা সমাজৰ লোকসকলে পালন কৰে আৰু সদায় তেওঁলোকৰ সাংস্কৃতিক আৰু মূল্যবোধৰ সকলো বয়বস্তু/বিষয় (baggage) ইয়াৰ মাজলৈ কঢ়িয়াই নিয়ে। এই



টোকা

সামূহিক সাংস্কৃতিক বয়বস্তুৰেই শিকনৰ সামূহিক প্ৰসংগলৈ আগবঢ়াই নিয়ে আৰু একেধৰণৰ গাঁথনিৰে সকলোকে বান্ধে। গোটেই সময় বা বয়সখিনি সামৰি সমাজৰ অংশ হিচাবে পৰিয়াল হৈছে মৌলিক সামাজিক প্ৰতিষ্ঠান। যিকোনো সম্প্ৰদায়ৰ বাবে পৰিয়াল হৈছে এক প্ৰাথমিক গোট আৰু সমাজ, যিয়ে ব্যক্তি আৰু সমাজৰ মাজত সংযোগকাৰী প্ৰতিষ্ঠান হিচাবে কাম কৰে। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ সামৰি ইয়াৰ স্থিতি চিৰন্তন। বৈবাহিক সম্পৰ্কৰ দ্বাৰা সন্তান জন্মক বৈধতা প্ৰদানৰ বাবে শিশুৰ যত্ন, মানৱ আচৰণৰ নিয়ন্ত্ৰণ আৰু অৰ্থনৈতিক কাৰ্যৰ গোট হিচাবে অন্ততঃ ভোগবৰণ নাইবা ব্যৱহাৰকৰণৰ বাবে ই সমাজ আৰু ব্যক্তিৰ বাবে বহুতো সামাজিক কাৰ্যৰ পথ মুকলি কৰি দিয়ে। বিবাহ নাইবা তেজৰ সম্পৰ্কৰ দৰে অন্যান্য সংলগ্নিত প্ৰতিষ্ঠিত পৰম্পৰাৰ ক্ষেত্ৰতো পৰিয়ালে এই ভূমিকা পালন কৰে। সময় ভেদে বা সমাজ ভেদে গঠন আৰু কাৰ্যৰ ভিন্নতা থাকিলেও সকলো মানৱ সমাজতে পৰিয়াল থাকে।

**2. ধৰ্ম ঃ** প্ৰাগ ঐতিহাসিক সময়ৰ পৰা উত্তৰ আধুনিক সমাজলৈকে ধৰ্ম হৈছে এক চিৰন্তন প্ৰতিষ্ঠিত পৰম্পৰা। ফ্ৰান্সৰ সমাজ বিজ্ঞানী এমিল ডাৰখেইমে ধৰ্মক পূজ্যবিষয়ৰ লগত সম্পৰ্কিত হৈ থকা বিশ্বাস আৰু অনুশীলনৰ এক ঐক্যবদ্ধ পদ্ধতি হিচাবে ব্যাখ্যা কৰিছে। কাৰ্ল মাৰ্ক্সৰ বাহিৰে সকলোৱে ঐক্যমত প্ৰকাশ কৰে যে সমাজত ধৰ্মৰ এক কাঠকাৰী ভূমিকা আছে। যদিও কেতিয়াবা ইয়াৰ অনমনীয়তা অকাৰ্যকৰী হৈ পৰে। ধৰ্মৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য হৈছে সামাজিক নিয়ন্ত্ৰণ।

**3. অৰ্থনীতি ঃ** অৰ্থনীতি কথাটোৱে উৎপাদন, বিতৰণ, ব্যৱহাৰকৰণৰ নিয়ম, পদ্ধতি আৰু মানৰ প্ৰসংগ অনাৰ লগতে কাৰ্যপদ্ধতি আৰু নক্সাৰ কথাও বিবেচনা কৰে। কোনো এখন সমাজৰ উন্নয়নৰ স্তৰৰ লগত অৰ্থনৈতিক কাৰ্যকলাপ আৰু প্ৰয়োজনৰ তাৰতম্য ঘটি থাকে। কাৰ্ল মাৰ্ক্সৰ মতে অৰ্থনীতি হৈছে এখন সমাজৰ মূল গাঁথনি য'ত অন্যান্য প্ৰতিষ্ঠিত পৰম্পৰা বা প্ৰতিষ্ঠানসমূহ নিৰ্ভৰশীল।

**4. শিক্ষা ঃ** প্ৰতিখন সমাজতে শিক্ষা প্ৰক্ৰিয়াৰ স্থান আছে। ইয়াৰ প্ৰকাৰবোৰ এখন সমাজৰ পৰা আন এখন সমাজত বেলেগ বেলেগ হ'ব পাৰে। কিন্তু, প্ৰতিখন সমাজতে শিক্ষাৰ দুটা সমূহীয়া কাৰ্য আছে। শিক্ষাৰ প্ৰথম চিৰন্তন কাৰ্য হৈছে সমাজৰ সদস্যসকলক সামাজিকীকৰণ কৰা আৰু পিছৰ প্ৰজন্মলৈ সংস্কৃতিৰ ধাৰা বোৱাই দিয়া। দ্বিতীয়টো হৈছে মানৱ সম্পদৰ লগত সম্বন্ধযুক্ত সমাজৰ প্ৰয়োজন পূৰ্ণ কৰা। সামাজিকীকৰণৰ মূল অভিকৰণ সমূহ হৈছে সম্প্ৰদায়, পৰিয়াল, সমনীয়া আৰু আনুষ্ঠানিক শিক্ষা প্ৰতিষ্ঠানসমূহ। ইয়াৰোপৰি সামাজিক গতিশীলতা আৰু পাৰস্পৰিক বিনিময়ৰ দৰে শিক্ষাৰ অন্যান্য কাৰ্যও আছে। সমান সুবিধা, প্ৰতিযোগিতা আৰু আহৰণৰ নীতিৰ ওপৰত বৰ্তমান গণতান্ত্ৰিক পদ্ধতি নিৰ্ভৰশীল আৰু সেয়েহে, যিকোনো শিক্ষিত আৰু সামৰ্থ্য ব্যক্তিয়েই নিজৰ স্থিতি উন্নত কৰিব পাৰে।

**4. ৰাজনৈতিক প্ৰতিষ্ঠান ঃ** প্ৰতিখন সমাজতে কিছুমান নিয়ম বা অন্য ব্যৱস্থা আছে। ৰাজনৈতিক প্ৰতিষ্ঠানসমূহক নিয়ন্ত্ৰণৰ একোটা পদ্ধতি হিচাপে গ্ৰাহ্য কৰা হয়। এই প্ৰতিষ্ঠানসমূহে ইয়াৰ সংগঠন আৰু শক্তিৰ বৈধ ব্যৱহাৰৰ জৰিয়তে নিয়ন্ত্ৰণ কৰে।



টোকা

টি বি বট'ম'ৰ মতে ৰাজনৈতিক প্ৰতিষ্ঠানসমূহে মূলতঃ ক্ষমতাৰ ভাগ আৰু সমাজৰ কৰ্তৃত্বক লৈয়ে বিশেষভাৱে ব্যস্ত থাকে।

এইবোৰ হৈছে মূল প্ৰতিষ্ঠান, নিম্নতম ভিন্নতাৰে এইবোৰৰ ব্যাপকতা সাৰ্বজনীন। সময়ৰ লগত এই প্ৰতিষ্ঠানসমূহৰ গঠন আৰু কাৰ্যৰ তাৰতম্য ঘটে আৰু ইয়াক সামাজিক প্ৰক্ৰিয়াৰ জৰিয়তে বুজিব পাৰি। সামাজিক প্ৰক্ৰিয়াই সামাজিকভাৱে বিনিময়ৰ গতিশীলতাক বৰ্ণনা কৰে আৰু বিভিন্ন প্ৰতিষ্ঠানৰ মাজত গঢ় লোৱা সাংগঠনিকতাৰ দ্বাৰাই সামাজিক ভাব আদান-প্ৰদান গঢ়ি উঠে। দুটা গুৰুত্বপূৰ্ণ সামাজিক প্ৰক্ৰিয়া হৈছে সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ — দুয়োটাই আমি পিছত আলোচনা কৰিম। দ্বিতীয়তে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত ভাব বিনিময় আনুষ্ঠানিক আৰু আমোলাতান্ত্ৰিকতাৰ দিশে গতি কৰিছে। এই প্ৰক্ৰিয়াক অনুধাবন কৰি সমাজ আৰু সম্প্ৰদায়ৰ লগত এক দূৰত্ব বজাই ৰাখি বিদ্যালয়সমূহ হৈ পৰিছে একোটা বৃহৎ সংগঠন। জন ডিউৱে লিখিছে যে আমি বিদ্যালয়ক ব্যক্তিকেন্দ্ৰিক দৃষ্টিভংগীৰে চাওঁ, হয় শিক্ষক আৰু ছাত্ৰ নতুবা শিক্ষক আৰু অভিভাৱক। ফলস্বৰূপে এই পৰিৱৰ্তিত পৰিৱেশে ইয়াৰ ভূমিকা আৰু দায়িত্বৰ পৰা ইয়াকে বিচ্যুতি ঘটাইছে। আমি যদি সমাজক এক সামাজিক পদ্ধতি বুলি বিবেচনা কৰোঁ তেন্তে ইয়াক আমি পাঁচটা উপ ভাগত ভাগ কৰিব পাৰোঁ যেনে পৰিয়াল, শিক্ষা, ধৰ্ম, অৰ্থনীতি আৰু ৰাজনীতি। এই প্ৰতিটো উপ-পদ্ধতিয়েই সামগ্ৰিকভাৱে সমাজখনক জীয়াই ৰখা আৰু চলাই ৰখাৰ বাবে নিজা নিজা কাৰ্য সম্পাদন কৰি থাকে। এনেদৰে আমি ক'ব পাৰো যে সকলো শিক্ষানুষ্ঠানেই সমাজৰ অবিচ্ছেদ্য অংগ।

এই অংশত আপুনি সমাজৰ ধাৰণা, সমাজৰ বিভিন্ন প্ৰতিষ্ঠানসমূহৰ লগত ইয়াৰ সম্পৰ্ক আৰু গতিশীলতাৰ বিষয়ে পঢ়িলে। এতিয়া আপোনাৰ অগ্ৰগতিৰ পৰীক্ষণৰ বাবে তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰি চাওক।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষণ - 1**

টোকা (ক) 50 টা শব্দৰ ভিতৰত আপোনাৰ উত্তৰ লিখক

(খ) গোট শেষত দিয়া সম্ভাব্য উত্তৰৰ লগত আপোনাৰ উত্তৰ মিলাই চাওক

(1) সমাজ বুলিলে আপুনি কি বুজে?

(2) সমাজত পৰিয়ালৰ ভূমিকা আলোচনা কৰক

## 1.3 ভাৰতীয় সমাজৰ বিৱৰ্তন ঃ

ভাৰতীয় সমাজ ব্যৱস্থা বহু পুৰণি আৰু জটিল। ভাৰত উপমহাদেশৰ সামাজিক বিৱৰ্তন প্ৰস্তৰ যুগৰ মাজভাগৰ পৰাই আৰম্ভ হয়। পুৰণি আৰু বিশাল সভ্যতাৰ পৰাই সু-গভীৰ ভাৰত বুৰঞ্জীৰ ৰূপৰেখা অংকন কৰা হয় আৰু সেয়া হৈছে সিন্ধু উপত্যকা সভ্যতা। পুৰাতাত্বিক প্ৰমাণসমূহে উদ্‌ঘাটন কৰিছে যে উন্নত নগৰ পৰিকল্পনাৰে এক সভ্য জীৱন যাপন এই সভ্যতাত গঢ় লৈছিল। লিখন পদ্ধতি, তাম আৰু সোণৰ জ্ঞান,


টোকা

ওজনৰ জোখ-মাপ, তথা ৰাজনৈতিক আৰু অৰ্থনৈতিক বহুতো প্ৰতিষ্ঠানেৰে এই সভ্যতা সমৃদ্ধিশালী আছিল। চাৰি বেদৰ প্ৰকাশ, ঈশ্বৰ স্তুতি আৰু বিধিবিহিত অনুশীলনৰ বাবে বৈদিক যুগক জনা যায় লগতে পুথিগত অনুপ্ৰেৰণাৰ বৈদিক আৰ্হিৰ বাবেও এই যুগ বিখ্যাত।

ঐতিহাসিকভাৱে ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ বিভিন্ন ঠাই বিশেষকৈ ইউৰোপ আৰু এছিয়াৰ পাৰ্ছী, কুশান, মোগল, পৰ্তুগীজ, ব্ৰিটিছ, ফৰাচী, ডাট্‌স আৰু অন্যান্য অসংখ্য বাহিৰৰ পৰা আহি বসতি কৰা লোকৰ বাবে এখন ঠাই। এই লোকসকলে তেওঁলোকৰ সংস্কৃতিও এই উপ মহাদেশখনলৈ কঢ়িয়াই আনিছিল। দীৰ্ঘ কাল ধৰি চলা প্ৰত্যেক সংস্কৃতিয়ে প্ৰত্যেককে প্ৰভাৱান্বিত কৰিলে আৰু এই উপ মহাদেশখনক ভিন্ন সংস্কৃতিৰ ‘সংমিশ্ৰণ ভূমি’ হিচাবে গঢ়ি তুলিলে। ফলস্বৰূপে ভাৰতবৰ্ষই সৃষ্টি কৰিলে বৈচিত্ৰময় সংস্কৃতি আৰু বিশ্বৰ সকলো ধৰ্মৰ অনুগামীয়ে এই দেশত একেলগে বাস কৰি আহিছে। ইয়াৰ মিশ্ৰিত সামাজিক গঠন আৰু সংস্কৃতিৰ অন্য এক স্পষ্ট বৈশিষ্ট্য ইয়াৰ বিভিন্ন জাতি, সম্প্ৰদায়, ধৰ্ম আৰু ভাষাৰ জৰিয়তে অংকন কৰিব পাৰি। ইমান মিশ্ৰণ আৰু বিচিত্ৰতা থকা সত্ত্বেও ইয়াৰ এটাই পৰিচয় যাক কোৱা হয় অনৈক্যৰ মাজত ঐক্য।

**অনৈক্যৰ মাজত ঐক্য**

অনৈক্যৰ মাজত ঐক্যই হৈছে ভাৰতবৰ্ষৰ এক পৰিচিতি যিটো আপুনি শৈশৱৰ পৰাই শুনি আহিছে। প্ৰাচীন কালৰ পৰাই বহুতো বিদেশী পৰ্যটক যেনে - মেগাস্থেনিছ (315 বি, চি) পা-ছিন (405AD), মাৰ্ক’প’ল (1288AD), ইবনবটুটা (1325-51AD) আৰু বহুতো পৰ্যটকে ভাৰতৰ এই বৈশিষ্ট্যক চিনাক্ত কৰি আহিছে। ইয়াত আমি ভাৰতত বৰ্তি থকা সামাজিক সত্যতাৰ প্ৰসংগত অনৈক্যৰ মাজত ঐক্যৰ বিষয়ে আলোচনা কৰিম। ভাৰতীয় সমাজৰ অনৈক্যৰ উপাদানবোৰ হৈছে বিভিন্ন জনগোষ্ঠী, অসংখ্য জাতি আৰু উপজাতি, সকলো মূল ধৰ্ম, উপ সম্প্ৰদায়, মুখ্য সম্প্ৰদায়, বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰ, আৰু ভাষাসমূহ।

**অনৈক্যৰ বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ —**

**1. জনগোষ্ঠী ঃ** বি এছ গুহই ভাৰতীয় জনসংখ্যাত ছটা-মূল জনগোষ্ঠীয় উপাদানৰ কথা ব্যক্ত কৰিছে। সেইবোৰ হৈছে কৃষ্ণাকায়, মংগোলীয়।

ইয়াৰ ভিতৰত প্ৰথম তিনিটা হৈছে এই উপ মহাদেশৰ পুৰণি বাসিন্দা, যদিও সামাজিক গতিশীলতাৰ বাবে ইয়াৰ বাস্তৱ নাই। আজিকালি নৃ-গোষ্ঠীয় দল এই নামটোৰেই বহলভাৱে ব্যৱহাৰ হয়।

**2. জাতি ঃ** আজিও ভাৰতীয় সমাজ ব্যৱস্থাত বহুল আৰু ব্যাপকভাৱে এই জাতিপ্ৰথা প্ৰচলিত। নৃ-তাত্ত্বিক জৰীপৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে ভাৰতবৰ্ষৰ 4600



টোকা

শতকৈও অধিক জাতি আৰু উপ-জাতি ভিত্তিক সম্প্ৰদায় বিৰাজমান। বৰ্ণক লৈয়ে এইবোৰৰ মাজত পাৰ্থক্য। এইটো কল্পনাপ্ৰসূত পাৰ্থক্য আৰু সাহিত্যৰ পৰাই ইয়াৰ প্ৰসংগ লোৱা হয়। যি কি নহওক, ই কেৱল সামাজিক মৰ্যাদাই নহয়, সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক আচৰণো নিয়ন্ত্ৰণ কৰে।

**3. ধৰ্ম ঃ** পৃথিৱীৰ গৰিষ্ঠসংখ্যক ধৰ্মৰ লোক যেনে বৌদ্ধ, খ্ৰীষ্টান, হিন্দু, ইছলাম, জৈন, ইহুদী (হিব্ৰু), জেৰ'ষ্ট্ৰীয়ান (পাৰ্ছী) আৰু বহুতো ধৰ্মীয় উপসম্প্ৰদায়ৰ অনুসৰণকাৰীয়ে ভাৰতীয় সমাজত একেলগে বাস কৰে।

**4. সম্প্ৰদায় ঃ** জাতি আৰু উপ-জাতিসমূহৰ উপৰি স্পষ্টকৈ 700 ট্ৰাইবেল আৰু নৃ-গোষ্ঠীয় সম্প্ৰদায়ৰ লোক ভাৰতৰ জনসংখ্যাত প্ৰায় 7.5 শতাংশ আবৰি আছে। তেওঁলোক আমাৰ জাতি ব্যৱস্থাৰ পৰা বাহিৰত আছে আৰু তেওঁলোকে অন্যান্য সাংস্কৃতিক গোষ্ঠীৰ পৰা আঁতৰি অকলে থাকে। যিকি নহওক, স্বাধীনতাৰ পিছত সমন্বয় প্ৰক্ৰিয়াৰ উন্নতিকল্পে চৰকাৰী নীতি আৰম্ভ কৰিছে।

**5. ভাষা আৰু অন্যান্য সাংস্কৃতিক অনৈক্য ঃ** সংস্কৃতি এক বিশাল ধাৰণা বুলি আমি যদিও সচেতন, তথাপি আমি ইয়াত অনৈক্য হিচাবে বৈ যোৱা অন্যান্য উপাদানসমূহো অন্তৰ্ভুক্ত কৰিছোঁ। ভাৰতত পৃথক ভাষা আৰু পৃথক সাংস্কৃতিক অঞ্চল আছে। গ্ৰীয়াৰছনৰ মতে ভাৰতত 179 টা ভাষা আৰু 544টা উপ ভাষা আছে কিন্তু এইবোৰৰ গ্ৰহণযোগ্যতাৰ এতিয়াও প্ৰয়োজন আছে। ভাৰতীয় সংবিধানে 22 টা আঞ্চলিক ভাষাক অন্তৰ্ভুক্ত কৰিছে আৰু ভালেমান ভাষা অন্তৰ্ভুক্ত নোহোৱাকৈ আছে। একেদৰেই ভাষা, উপ-ভাষা, সাজ-পোছাক, খাদ্যাভ্যাসবোৰকে ধৰি অন্যান্য বহুতো বিষয়ক কেন্দ্ৰ কৰি থকা অনৈক্যৰ সাংস্কৃতিক উপাদানসমূহেও ভাৰতক বিভিন্ন সাংস্কৃতিক অঞ্চলত ভাগ কৰিছে।

ওপৰত দিয়া অনৈক্যৰ বৈশিষ্ট্যসমূহেই ঐক্যৰ ধাৰাবাহিকতাকো বজাই ৰাখিছে। সেয়েহে আমি কওঁ যে অনৈক্যৰ এই বৈশিষ্ট্যবোৰে কেৱল সংঘাতৰেই সৃষ্টি নকৰে একেলগে থাকি সমন্বয়ো সাধন কৰে। এম এন শ্ৰীনিবাসে হিন্দুত্বত অন্তৰ্নিহিত হৈ থকা ঐক্যৰ বৈশিষ্ট্যবোৰৰ দৃষ্টি নিক্ষেপ কৰিছে যি হিন্দুত্বই চাৰিভাগৰ তিনি অংশতকৈও অধিক জনগণক প্ৰতিনিধিত্ব কৰে। ভাৰতীয় জাতীয় সৌধ নিৰ্মাণত এই ঐক্যৰ বৈশিষ্ট্যবোৰে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে।

**1. একক ৰাজনৈতিক সত্তা ঃ** ৰাজনৈতিকভাৱে, প্ৰায় সকলো উপ-মহাদেশেই একেখন ৰাজ্যৰ অধীনত আছিল যেনে চন্দ্ৰগুপ্ত মৌৰ্য আৰু প্ৰাচীন ভাৰতৰ গুপ্ত যুগ। মোগল আৰু ব্ৰিটিছ যুগৰ পৰা এক ৰাজনৈতিক আমোলত আমাৰ দেশ চলি আহিছে। সেয়েহে, পৌৰাণিকৰ পৰা আধুনিক যুগলৈকে কম বেছি পৰিমাণে ভাৰতবৰ্ষত ৰাজনৈতিক সম্প্ৰীতি চলি আহিছে।

**2. ভাৰত উপ মহাদেশৰ ভূ-খণ্ডৰ ঐক্য ঃ** ভৌগোলিকভাৱে সমগ্ৰ ভাৰত উপ মহাদেশৰ একক পৰিচয়ক হিমালয় আৰু ভাৰত মহাসাগৰৰ দ্বাৰা পৃথক কৰা হয়। যদিও

টোকা

ইয়াক উত্তৰ হিমালয়ৰ আৰাৱলী অঞ্চল, ভাৰত উপ দ্বীপ আদিৰ দ্বাৰা ভিন্নতা পৰিলক্ষিত হয় তথাপি নদীসমূহৰ দ্বাৰা ঐক্যবদ্ধ হৈ আছে যিবোৰে সমগ্ৰ ভাৰতবৰ্ষক আগুৰি আছে।

**3. উমৈহতীয়া সংস্কৃতি ঃ** ভাৰত বুৰঞ্জীৰ জৰিয়তেই দেশৰ উমৈহতীয়া সংস্কৃতি প্ৰতিফলিত হয়। অহিংস নীতিৰ দ্বাৰা ভাৰতত সাংস্কৃতিক আৰু ধৰ্মীয় ঐক্য স্থাপন কৰাৰ বাবে মহামতি অশোকে কাম কৰিছিল। মোগল সম্ৰাট আকবৰে 'দিন-ই-ইলাহী' ধৰ্ম প্ৰবৰ্তন কৰিছিল যাক হিন্দু আৰু মুছলমানৰ সংমিশ্ৰণ বুলিও জনাযায়। এই সকলোৰে ওপৰত আমি যদি আমাৰ গাঁওবোৰলৈ চাও তেতিয়াও দেখা পাওঁ যে বিভিন্ন ধৰ্মৰ লোকসকলে একেলগে বসবাস কৰে, তেওঁলোকৰ জীৱন ধাৰণ শৈলীৰ বিনিময় কৰে, পৰস্পৰে পৰস্পৰৰ উৎসৱ পাৰ্বনত অংশগ্ৰহণ কৰে আৰু ভাৰতীয় নামৰ একেডাল সূতাৰে বান্ধ খাই থাকে।

**4. বৰ্ণ ব্যৱস্থা ঃ** একক বৰ্ণ মডেল আৰু বৰ্ণ আশ্ৰম ব্যৱস্থাই সমগ্ৰ ভাৰতবৰ্ষখনকে এখন সমাজত বান্ধি ৰাখিছে। বৰ্ণ প্ৰথা কোনো এক বিশেষ অঞ্চলৰ বাবে প্ৰযোজ্য নহয় বৰং ই ভাৰতত বসবাস কৰা বিভিন্ন বৰ্ণ গোষ্ঠীসমূহৰ বিশেষ ভূমিকা আৰু স্থিতিৰহে বাহক।

**5. ঐতিহাসিক পটভূমি ঃ** দীঘল পৰিক্ৰমাৰ এক উমৈহতীয়া ইতিহাসে ভাৰতৰ সাংস্কৃতিক পৰম্পৰাৰক এক অভিনৱত্ব প্ৰদান কৰিছে। 5000 বছৰ পুৰণি সমাজে সাংস্কৃতিক মিলন, আত্মীকৰণ আৰু এটাৰ বুকুত অন্য এটা লীন যোৱা পদ্ধতিৰে ইয়াৰ অনুপমত্ব প্ৰকাশ কৰিছে আৰু ইয়াৰ লগে লগে নতুন সামাজিক সাংস্কৃতিক গোষ্ঠীৰ সৃষ্টিও কৰিছে। আমি যদি জাতি আৰু উপ-জাতিসমূহৰ সংখ্যা চাওঁ তেন্তে সামাজিক গতিশীলতাৰ বাবে সৃষ্টি হোৱা বহুতো নতুন নতুন গোষ্ঠী দেখা পাম।

**6. হিন্দু ধৰ্মৰ বাহিৰত জাতি প্ৰথাৰ অৱস্থিতি ঃ** ভাৰতীয় সমাজ ব্যৱস্থাত জাতি আৰু উপ-জাতিসমূহক ভাগ ভাগ কৰা হয় অথচ দীৰ্ঘদিনৰ উমৈহতীয়া ইতিহাসে দেখুৱাইছে যে হিন্দু ধৰ্মত বিশ্বাসীসকলৰ উপৰিও এই সমাজ ব্যৱস্থাত জাত পাতৰ ভাগ অন্যতো আছে। ভাৰতৰ নৃ-তাত্বিক জৰীপে (1991) ভাৰতীয় মুছলমানসকলৰ মাজতো জাত ভিত্তিক বিভাজন প্ৰত্যক্ষ কৰিছে। এইবোৰেই হৈছে ভাৰত উপ মহাদেশৰ সাংস্কৃতিক আত্মীকৰণ।

সেইবাবে, এহাতে যেনেকৈ জাতি, গোষ্ঠী, সম্প্ৰদায়, ধৰ্ম, সংস্কৃতি আদিৰ ভিত্তিত আমাৰ মাজত অনৈক্য আছে আনহাতে আকৌ একক ৰাজনৈতিক সত্তা, সকলো মূল ধৰ্মৰ স্থান, ভৌগোলিক সংহতি আদি বৈশিষ্ট্যৰে সকলো একেডাল সূতাৰে বান্ধ খাই আছে। একক বৰ্ণ মডেল আৰু বৰ্ণ আশ্ৰম ব্যৱস্থাই সমগ্ৰ ভাৰতকে আবৰি ৰাখিছে। দ্বিতীয়তে, শিক্ষাৰ লক্ষ্য হৈছে সমগ্ৰ পাৰিপাৰ্শ্বিকতাক সামৰি লৈ দীৰ্ঘকালীন সংৰক্ষণ কৰা। সমসত্ব আৰু অসমসত্বক পৰিপূৰক হিচাপে লৈ জাতি গঠন প্ৰক্ৰিয়াত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে, যাক ডাৰখেইমে 'একাত্মবোধ' বুলি কৈছে। এ আৰ দেশায়ে (1976) তেওঁৰ 'Social Background of Indian Nationalism নামৰ গ্ৰন্থত

টোকা

স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতীয় জাতীয়তাবোধৰ প্ৰকাশ আৰু বিৱৰ্তনৰ বিষয়েও ব্যাখ্যা কৰিছে। স্বাধীনতা সংগ্ৰামৰ সময়ত ওপৰত উল্লেখ কৰা বিভিন্ন পৰিচয়ক অতিক্ৰম কৰি অহা বুলি তেওঁ বিবেচনা কৰিছে। তেওঁলোকে ভাৰতীয় জাতীয় কংগ্ৰেছ নামৰ একেটা ছাতিৰ তলত একেলগে যোগদান কৰিছিল। পৰিচয়ৰ ভিন্নতা থাকিলেও তেওঁলোকে কিন্তু এখন ৰাষ্ট্ৰৰ বাবেই যুঁজ দিছিল।

দ্বিতীয় ভাগত ভাৰতীয় সমাজৰ বিষয়ে আলোচনা কৰা হৈছে। লগতে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত ইয়াৰ মূল নিৰ্দেশনা আৰু বিৱৰ্তনতো আলোচনা কৰা হৈছে। এতিয়া আপোনাৰ অগ্ৰগতি জানিবৰ বাবে তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক-

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

(ক) 50টা শব্দৰ ভিতৰত আপোনাৰ উত্তৰ লিখক

(খ) গোটৰ শেষত দিয়া সম্ভাব্য উত্তৰৰ লগত আপোনাৰ উত্তৰ মিলাই চাওক।

1. ভাৰতীয়  সমাজৰ ঐক্যৰ চাৰিটা বৈশিষ্ট্য আলোচনা কৰক

2. পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰতলৈ অহা মূল গোষ্ঠীসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

## 1.4 সমাজ আৰু শিক্ষা সংযোজন ঃ

অৰ্থনৈতিক সম্পদ, সামাজিক সমৃদ্ধি আৰু ৰাজনৈতিক সুস্থিৰতা সামৰি শিক্ষাক আমি সমাজৰ বুনিয়াদ বুলি ক'ব পাৰো। যিকোনো আধুনিক সমাজৰ বাবে শিক্ষা হৈছে উন্নয়নৰ প্ৰধান দিশ আৰু কোনো এটা অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ উল্লেখযোগ্য সূচক হৈছে শিক্ষা। সমাজ আৰু সংস্কৃতিৰ সংৰক্ষণৰ ক্ষেত্ৰত শিক্ষা প্ৰক্ৰিয়াৰ ভূমিকাৰ ওপৰত এমিল ডাৰখেইমে গুৰুত্ব প্ৰদান কৰিছে। বিশেষকৈ সংমিশ্ৰিত সমাজত শিক্ষাৰ ভূমিকা অতিগুৰুত্বপূৰ্ণ কিয়নো ইয়াত পৰিয়াল আৰু অন্য প্ৰাথমিক গোটসমূহক ল'ৰাছোৱালীক প্ৰাপ্তবয়স্কতা বা পৰিপক্কতাৰ বাবে প্ৰস্তুত কৰিবলৈ কোনো প্ৰশিক্ষণ দিয়া নহয়, যিটো ডাঙৰ সমাজত আশা কৰা যায়। জন ডিউৱে এই বিষয়টোৰ ওপৰত বহলভাৱে লিখিছে আৰু তেওঁ লিখা দুখন গ্ৰন্থ The School and Society (1899) Democracy and Education (1916)ত এই বিষয়ে লিখা কথাবোৰ সঠিকভাৱেই মিলি পৰিছে। তেওঁ বিতৰ্কৰ সূচনা কৰি কৈছে যে বিদ্যালয় হৈছে সমাজৰ ক্ষুদ্ৰ আৰু প্ৰতিফলিত সংস্কৰণ। ব্যক্তিৰ নহয়। বিদ্যালয় আৰু বিদ্যালয় প্ৰক্ৰিয়াৰ চূড়ান্ত উদ্দেশ্যই সামাজিক উন্নয়ন বৃদ্ধি আৰু গণতান্ত্ৰৰ ব্যাপকতাত জোৰ দিয়ে। মহাত্মা গান্ধী, সৰ্বপল্লী ৰাধাকৃষ্ণন, ৰবীন্দ্ৰ ঠাকুৰ, লিঅ' টলষ্টয়, ব্ৰাছিল বাৰ্নডটেইন, আইভান ইলিছ প্ৰমুখ্যে বহু চিন্তাবিদ আৰু অধ্যয়নে শিক্ষা আৰু সমাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিছে আৰু অৱদানো আগবঢ়াইছে।

**শিক্ষাৰ সামাজিক কাৰ্য ঃ**

শিক্ষা সকলো মানুহৰ বাবেই সচেতন আৰু সকলো সমাজৰ বাবেই মৌলিক সামাজিক প্ৰয়োজন। সামাজিক প্ৰয়োজন হিচাপে শিক্ষাই তলত দিয়া ধৰণে মূল



টোকা

কাৰ্যসমূহ আগবঢ়াই নিয়ে বুলি জন ডিউৱে মত প্ৰকাশ কৰে।

**(ক) সংস্কৃতিৰ প্ৰেৰণ বা প্ৰচাৰ ঃ** মানুহ হৈছে বিশ্বগৃহৰ প্ৰাণী। সৃষ্টিশীল প্ৰাণী হিচাবে পিছৰ প্ৰজন্মলৈ ইয়াৰ সংৰক্ষণ আৰু প্ৰচাৰ যিকোনো সংস্কৃতিৰ বাবে উদ্বেগৰ বিষয়। সংস্কৃতিয়ে অন্যান্য প্ৰাণীৰ লগত পাৰ্থক্যৰ সৃষ্টি কৰে। সকলো সমাজৰে নিজা সংস্কৃতিক পৰম্পৰা আছে যিবোৰ তেওঁলোকে পিছৰ প্ৰজন্মৰ বাবে সংৰক্ষণ আৰু প্ৰেৰণ কৰে। শিক্ষাৰ মূল ভূমিকা হৈছে পৰম্পৰা, সংস্কৃতি, কৌশল আৰু জ্ঞানক সমাজৰ নতুন সদস্যসকলৰ বাবে প্ৰেৰণ কৰা। এনেদৰে সমাজ আৰু শিক্ষাৰ মাজত সংস্কৃতি হৈছে উমৈহতীয়া যোগসূত্ৰ। সংস্কৃতিনো কি আৰু সমাজ আৰু শিক্ষাৰ লগত ইয়াৰ সম্পৰ্কৰ বিষয়ে জানিবলৈ আপোনা লোক এতিয়া নিশ্চয় আগ্ৰহী হৈ উঠিছে। সংস্কৃতি হৈছে এটা বিশাল শব্দ যিয়ে মানৱ সমাজৰ সকলোবোৰ সামৰি লয়। ব্ৰিটিছ সামাজিক নৃতত্ববিদ ই বি টাইলৰে সংস্কৃতিক এনেদৰে বৰ্ণনা কৰিছে 'সংস্কৃতি হৈছে এক মিশ্ৰণ যিয়ে জ্ঞান, বিশ্বাস, আৰ্ট, আইন, ৰীতিনীতি, মূল্যবোধ আদি সামৰি লোৱাৰ উপৰি সমাজৰ এজন সদস্য হিচাবে এজন ব্যক্তিয়ে আহৰণ কৰা দক্ষতা আৰু অ ভ্যাসকো সামৰি লয়। সমাজ ব্যৱস্থাৰ আৰম্ভণিৰ পৰা আমি দেখো যে প্ৰতিখন সমাজৰে সদস্যসকলক শিক্ষিত আৰু প্ৰশিক্ষিত কৰিবৰ বাবে সমাজৰ কিছুমান অন্যান্য ব্যৱস্থা থাকে আৰু পৰিয়াল, সম্প্ৰদায় আৰু অন্যান্য আনুষ্ঠানিক প্ৰতিষ্ঠানৰ দৰে সমাজৰ বিভিন্ন অভিকৰণৰ জৰিয়তে এইবোৰৰ প্ৰশিক্ষণ দিয়া হয়।

**(খ) অসমানতা আৰু অসমতাৰ বিলুপ্তি ঃ** শিক্ষাই আমাক জ্ঞান দিয়ে আৰু জ্ঞানেই ক্ষমতা। শিক্ষাই সমাজৰ সমস্যাসমূহ সমাধানৰ দ্বাৰা সমাজত এক উল্লেখযোগ্য ভূমিকা পালন কৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰে লিখিছে যে আমাৰ সমস্যাৰ সমাধান বিচাৰিবলৈ হ'লে আমি বিশ্বৰ সমস্যা সমাধানত সহায় কৰিব পাৰিব লাগিব...। ভাৰতবৰ্ষই যদি বিশ্বলৈ সমাধান আগবঢ়াব পাৰে, তেন্তে ই হ'ব মানৱতালৈ এক অৱদান।' শিক্ষাৰ জৰিয়তে কোনো জেনে জ্ঞান আহৰণ কৰিব পাৰে আৰু সৰলীকৰণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে। পৰম্পৰাগত ভাৰতীয় শিক্ষা পদ্ধতি না সকলোৰে বাবে মুক্ত আছিল না একমানতা আছিল। ই আছিল চৰিত্ৰ সমাজৰ শ্ৰেষ্ঠ লোক সমষ্টি আৰু ই শিক্ষাৰ প্ৰকৃত উদ্দেশ্যতকৈ ধৰ্মীয় উদ্দেশ্যৰ দ্বাৰাহে সমৰ্থিত আছিল যিয়ে আৰ্থ-সামাজিক অসমতাৰ সৃষ্টি কৰিছিল। স্বাধীনতাৰ পিছত সাংবিধানিক ব্যৱস্থাই (12-এ আৰু 45 অনুচ্ছেদ) এই শ্ৰেষ্ঠ লোক সমষ্টিৰ ধাৰণাক মানুহৰ মাজত সমতা স্থাপন কৰিবলৈ বা সমতাবাদৰ ধাৰণাক প্ৰতিষ্ঠা কৰিলে আৰু সৰলীকৰণ প্ৰক্ৰিয়াই বিভিন্ন ব্যৱহাৰিক অধ্যয়নৰ ওপৰত গুৰুত্ব দিলে। UN Millennium Development Goals (2000)এ আঠটা লক্ষ্য নিৰ্ধাৰণ কৰিছে যাৰ দুটা ইয়াত উল্লেখযোগ্য হৈ আছে প্ৰথম সাৰ্বজনীন প্ৰাথমিক শিক্ষাত সফল হ'বলৈ আৰু দ্বিতীয়টো হ'ল লিংগ সমানতা। ভাৰতবৰ্ষক সামৰি বিশ্বৰ 189 খন ৰাষ্ট্ৰই এই দুয়োটা লক্ষ্যকে গ্ৰহণ কৰি আহিছে। এই লক্ষ্যক অনুসৰণ কৰিয়ে সৰ্বশিক্ষা অভিযান মিছন (এচ এচ এ)ক এক জাতীয় ধ্বজাবাহী আঁচনি হিচাবে আৰম্ভ কৰে। মহিলাৰ সাক্ষৰতাৰ বাবেও মহিলা সমীক্ষা, কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আদি বহুতো পদক্ষেপ গ্ৰহণ কৰিছে।

টোকা

আঞ্চলিক অসমতাৰ ক্ষেত্ৰত দেখা যায় যে কোনো অঞ্চলৰ উন্নয়ন সেই অঞ্চলৰ শৈক্ষিক স্থিতিৰ লগত পোনপটীয়াকৈ জড়িত। এনেদৰে শিক্ষা, স্বাস্থ্য আৰু অৰ্থনৈতিক স্থিতিৰ ওপৰতে কোনো এক অঞ্চলৰ উন্নয়ন বহুখিনি নিৰ্ভৰশীল।

**(গ) সামাজিক গতিশীলতা আৰু সামাজিকপৰিৰৰ্তন ঃ**সামাজিক স্তৰীভূতকৰণ হৈছে এক চিৰন্তন সামাজিক সত্য। সামাজিক গতিশীলতাই যিকোনো সমাজৰ ব্যক্তি আৰু দলৰ সামাজিক মৰ্যাদা বা স্থিতিৰ গতিক সূচায়। সামাজিক গতিশীলতাৰ দুটা গুৰুত্বপূৰ্ণ উপাদান আছে আৰু সেয়া হৈছে শিক্ষা আৰু আয়ৰ স্থিতি। এতিয়া সকলোৰে বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাই কোনো এজনৰ শিক্ষা আৰু আয়, উপাৰ্জনৰ স্থিতি বৰ্ধিতকৰণৰ সুযোগ প্ৰদান কৰিছে। ভাৰতবৰ্ষত স্বাধীনতাৰ পৰা ‘সকলোৰে বাবে সমানে শিক্ষা’ কথাটো প্ৰমাণিত হৈছে যিয়ে পূৰ্বতে সীমাবদ্ধতাৰ মাজত আছিল।

**(ঘ) নতুন জ্ঞানৰ বিকাশ ঃ** জীৱনত কৃতকাৰ্যতা লাভ কৰাৰ বাবে জ্ঞান আহৰণ কৰাৰ পথ হৈছে শিক্ষা। আমাৰ নতুন নতুন প্ৰয়োজন পূৰ কৰিবৰ বাবে শিক্ষাৰ জৰিয়তে আমি নতুন জ্ঞান বা অতিৰিক্ত জ্ঞানৰ বিকাশ ঘটাও। আমি জানো যে অভাৱেই আৱিষ্কাৰৰ মূল। আমি দেখিছো যে বহুতো উদ্ভাৱন আৰু আৱিষ্কাৰৰ বাবে সাধাৰণ আদিম সমাজৰ পৰা বৰ্তমানৰ উত্তৰ আধুনিক সমাজলৈকে কঠোৰ পৰিবৰ্তন হৈছে। বিশ্ব সভ্যতা জুৰি ধাতু, জুই আৰু চকাৰ প্ৰাথমিক জ্ঞানে সেই যুগৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। খাদ্য সংৰক্ষণৰ পৰা কৃষি প্ৰধান সমাজলৈকে ই হ’ল এক টাৰ্নিং পইণ্ট। একেধৰণে মানৱ ইতিহাসত অন্যান্য বহুতো ন জ্ঞানৰ উদাহৰণ আছে। ইণ্টাৰনেট যোগাযোগৰ বিভিন্ন কৌশল আৰু যোগসূত্ৰক বিভিন্ন মাধ্যমেৰে আধুনিক প্ৰযুক্তি বিদ্যাই সূচনা কৰা বিপ্লৱে সমগ্ৰ বিশ্বকে এখন গাঁৱলৈ ৰূপান্তৰ কৰিছে।

**(ঙ) ব্যক্তি বিকাশ ঃ** এজন ব্যক্তিৰ জীৱনত কৃতকাৰ্যতা লাভৰ বাবে শিক্ষা অতি গুৰুত্বপূৰ্ণ। শিক্ষাই মানুহক শিক্ষণ কৌশলৰ বিষয়ে শিকায় যিয়ে পৃথিৱীৰ বাবে তেওঁলোকক প্ৰস্তুত কৰে। উচ্চ শিক্ষাই এখন সুস্থ সমাজ পৰিচালনা কৰাত সহায় কৰে যিয়ে স্বাস্থ্যৰ যত্নৰ বৃত্তিৰ প্ৰতি প্ৰস্তুত কৰে, স্বাস্থ্যৰ বিষয়ে মানুহক শিক্ষিত কৰি সুস্থ জনসংখ্যাৰ পৰিচালনা কৰিব পাৰে। যদি শিক্ষিত মানুহৰ অভাৱ হয় তেন্তে ভৱিষ্যত সমাজৰ প্ৰগতি স্তব্ধ হ’ব।

সেয়েহে সামগ্ৰীকভাৱে সমাজৰ প্ৰতি শিক্ষা প্ৰক্ৰিয়াৰ দ্বাৰা পালন কৰা ভূমিকা আমি প্ৰত্যক্ষ কৰিছোঁ। ইয়াত, শিক্ষা ব্যৱস্থাই আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক গোটেই কেইটা প্ৰকাৰকে সামৰি লয়। এই প্ৰকাৰসমূহৰ সংযুক্তি সময় আৰু ঠাইভেদে বেলেগ বেলেগ হয়। অনানুষ্ঠানিক শিক্ষা প্ৰক্ৰিয়া হৈছে আটাইতকৈ পুৰণি প্ৰকাৰ আৰু সমাজৰ সমানেই পুৰণি। আনুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষাই পিছতহে বিকাশ লাভ কৰিছে। অনৌপচাৰিক শিক্ষাই সদায় মূল্যবোধৰ ওপৰত ভিত্তি কৰে। ডিগ্ৰী বা ডিপ্ল’মাৰ লগত ইয়াৰ পোনপটীয়া কোনো সম্পৰ্ক নাই আৰু ই আনুষ্ঠানিক তথা অনানুষ্ঠানিক দুয়োবিধ শিক্ষাৰে পৰিপূৰক। শিক্ষাৰ এই গোটেই প্ৰকাৰকেইটা পৃথিৱীৰ বিভিন্ন ঠাইত সমানে ক্ৰমবিকশিত হোৱা নাই। ক্ৰমোন্নয়নশীল



টোকা

দেশসমূহৰ মাজত বিদ্যালয়লৈ নোযোৱা লোকৰ সংখ্যাৰ বৃহৎ পাৰ্থক্য দেখা যায়। 10 শতাংশৰ পৰা 65 শতামশলৈকে এই পাৰ্থক্য পৰিলক্ষিত হোৱাৰ বিপৰীতে অধিক উন্নত দেশবোৰৰ ক্ষেত্ৰত এই পাৰ্থক্য কম। বিশ্ব বিকাশ প্ৰতিবেদন 2000 প্ৰকাশ পোৱা মতে 2 শতাংশতকৈ কমৰ পৰা 17 শতাংশৰ মাজতে এই পাৰ্থক্য সীমিত।

এই শাখা বা গোটত আপোনালোকে শিক্ষা আৰু সমাজৰ মাজৰ সম্পৰ্কৰ বিষয়ে পঢ়িলে আৰু বিশেষকৈ সমাজত শিক্ষাৰ কাৰ্য আৰু বিকাশ বা উন্নয়নত শিক্ষাৰ অৱদান সম্পৰ্কেও অধ্যয়ন কৰিলে এতিয়া আপোনাৰ অগ্ৰগতিৰ পৰীক্ষণৰ বাবে প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 3**

টোকা (ক) 50 টা শব্দৰ ভিতৰত আপোনাৰ উত্তৰ লিখক।

(খ) আপোনাৰ উত্তৰ গোটৰ শেষত দিয়া সম্ভাব্য উত্তৰৰ লগত মিলাই চাওক।

(1) শিক্ষাই কেনেকৈ সমাজত অসমানতা দূৰ কৰে?

........................................................................................................

(2) 'শিক্ষা হৈছে বিকাশ বা উন্নয়নৰ এক উল্লেখযোগ্য সূচক'- ব্যাখ্যা কৰক।

## 1.5 সমাজৰ অংগ হিচাপে বিদ্যালয়সমূহ ঃ

আগৰ শাখাত আমি সমাজত শিক্ষাৰ ভূমিকা সম্পৰ্কে পঢ়িলো আৰু বিদ্যালয়ক আমাৰ উন্নয়নত সমৰ্কিত এক গণতান্ত্ৰিক প্ৰতিষ্ঠান হিচাপে প্ৰত্যক্ষ কৰিলো। এতিয়া ইয়াৰ বিপৰীতে শিক্ষা ব্যৱস্থাৰ ওপৰত সমাজৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম আৰু বিশেষকৈ সংস্কৃতি, অসমানতা আৰু স্তৰীভূত সমাজৰ বিষয়ে আলোচনা কৰিম। বিদ্যালয় হৈছে সমাজৰ এটা অংশ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱক হৈছে একেই অসমানতা আৰু স্তৰীভূত সমাজৰ উন্মুক্ত অংশ। বিদ্যালয় এখন অকলে চলিব নোৱাৰে। শিক্ষা পদ্ধতিৰ উন্নয়নত সমাজে এটা উল্লেখযোগ্য ভূমিকা পালন কৰে। সামাজিক-সাংস্কৃতিক উপাদানৰ ভূমিকা, ৰাজনৈতিক অৱস্থা, অৰ্থনৈতিক পাৰিপাৰ্শ্বিকতাই শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰবৃতি, ইয়াৰ লক্ষ্য আৰু পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ প্ৰকৃতি নিৰ্ণয় কৰে।

**শিক্ষা প্ৰক্ৰিয়াত সমাজৰ প্ৰভাৱ ঃ**

(ক) সামাজিক সাংস্কৃতিক প্ৰভাৱ ঃ যিকোনো সমাজৰ শিক্ষাৰ লগত ইয়াৰ সামাজিক সাংস্কৃতিক উপাদানসমূহৰ পোনপটীয়া সম্পৰ্ক আছে। শিক্ষা প্ৰক্ৰিয়াটোৱে সামাজিক গাঁথনি, সামাজিক মান আৰু মূল্যবোধ পদ্ধতিৰ সাংস্কৃতিক সূচীক এটা প্ৰজন্মৰ পৰা পিছৰ প্ৰজন্মলৈ বদলি কৰিব পাৰে। অনানুষ্ঠানিক শিক্ষা পৰিক্ৰমাত সামাজিকীকৰণ হৈছে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে সম্প্ৰদায়ে তেওঁলোকৰ সদস্যসকলক সামাজিক মান আৰু সমাজখনৰ মূল্যবোধৰ বিষয়ে শিক্ষিত কৰি তোলে। পৰম্পৰাগতভাৱে খ্ৰীষ্টান মিছনেৰী, ইছলামিক মাদ্ৰাছা, বৌদ্ধ সংঘ আৰু অন্য ধৰ্মীয় অনুষ্ঠানবোৰৰ দ্বাৰাই শিক্ষা দিয়া হৈছিল। এই প্ৰতিষ্ঠানসমূহৰ ধৰ্মান্তৰিত কৰা বা ধৰ্মত দীক্ষা দিয়াৰ আকৰ্ষণীয়


টোকা



বৈশিষ্ট্য আছে আৰু তেওঁলোকে নিজৰ আদৰ্শক ইয়াৰ জৰিয়তে প্ৰশিক্ষণ দিয়ে। এইবোৰ সীমিতভাৱে প্ৰতিষ্ঠিত ধৰ্ম নহয়, কাৰণ প্ৰতিটো সম্প্ৰদায়েই তেওঁলোকৰ ৰীতি, আদৰ্শ মূল্যবোধ আদি হস্তান্তৰ কৰে। শিক্ষা আৰু সামাজিকীকৰণৰ এই প্ৰক্ৰিয়াৰ দ্বাৰা আমি আমাৰ সমাজৰ বাধ্যবাধকতা আৰু পাৰ্থক্যসমূহো পৰৱৰ্তী প্ৰজন্মলৈ হস্তান্তৰ কৰোঁ যেনে- ধৰ্মীয় শাসন, বিভিন্ন স্তৰ (সমাজৰ)ৰ সৃষ্টি, জন্মগত অসমানতা। উচ্চস্তৰীয় সংস্কৃতিৰ আধিপত্য, লিংগ বৈষম্য আৰু অন্যান্য সামাজিক সাংস্কৃতিক বৈশিষ্ট্যসমূহো নৱ প্ৰজন্মলৈ হস্তান্তৰ কৰা হয়। ফৰাচী সমাজতত্ববিদ, পায়াৰ বৰডিউৱে আধিপত্য বিস্তাৰ কৰা শ্ৰেণীৰ সংস্কৃতিক শিক্ষাই স্থায়ী কৰে বুলি মত পোষণ কৰে আৰু এই পৰিঘটনাক তেওঁ 'সাংস্কৃতিক পুনৰ উৎপাদন বুলি কয়। একেধৰণেই পাউল ফ্ৰায়াৰে শিক্ষণ পদ্ধতি, শিক্ষণ প্ৰক্ৰিয়া আৰু ভাষাই উৎপীড়ক আৰু উৎপীড়িতৰ মাজত এটা পাৰ্থক্যৰ সৃষ্টি কৰে বুলি মতপোষণ কৰে। আজি বিদ্যালয়ৰ প্ৰধান ভূমিকা-নৈতিক প্ৰাধিকাৰী হিচাপে বিদ্যালয়ে কোনো এক বৃত্তিৰ বাবে জনগণক প্ৰস্তুতি কৰে, কোনো সম্প্ৰদায়ৰ আধিপত্যকাৰী শ্ৰেণীটোৰ ওচৰত বিদ্যালয়ে বশ্যতা স্বীকাৰ কৰা উচিত নহয়।

**(খ) অৰ্থনৈতিক দিশ ঃ** সমান সুবিধা/সুযোগ হৈছে গণতন্ত্ৰৰ এক সহ মূল্য আৰু শিক্ষাৰ ভাৰতীয় সাংবিধানিক ধাৰা। কিন্তু তথাপিও দেখা গৈছে সুযোগৰ সমানতা লাভ কথাটো বৰ্তমানৰ অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত অতি দুৰুহ হৈ পৰিছে। অৰ্থনৈতিক অৱস্থাই ধনী আৰু দুখীয়াৰ মাজত এক ব্যাপক ব্যৱধানৰ সৃষ্টি কৰিছে। Apple (2004)ৰ মতে অৰ্থনৈতিক উৎপাদনৰ লগত নিৰ্দিষ্ট কিছু জ্ঞানৰ যোগসূত্ৰ আছে। বৃত্তিমূলক পাঠ্যক্ৰম যেনে ইঞ্জিনীয়াৰিং, মেডিকেল, MCA, MBA আৰু অন্যান্য applied course আদিৰ ভাৰতীয় প্ৰেক্ষাপটত যথেষ্ট চাহিদা আছে আৰু এইবোৰ বজাৰ পৰিৱেশৰ (market situation) ক্ষেত্ৰতো যথেষ্ট চাহিদাযুক্ত। সেয়েহে, সমাজৰ অৰ্থনীতি হৈছে এটা গুৰুত্বপূৰ্ণ উপাদান কিয়নো কোনো এটা অঞ্চলৰ মানৰ উন্নয়ন আৰু শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ এটা গভীৰ সম্পৰ্ক আছে। কাৰ্ল মাৰ্ক্সে অৰ্থনৈতিক সমাজত ক্ষমতা লাভ আৰু আধিপত্য বিস্তাৰৰ মূল গাঁথনি বুলি বিবেচনা কৰিছিল। তাৰোপৰি সমাজৰ কৰ্তৃত্বশীল লোকক নিয়ন্ত্ৰণৰ বৈধতা প্ৰদানৰ বেলিকাও শিক্ষাই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনেদৰে নিয়ন্ত্ৰিত অৰ্থনীতিয়ে ধন ঐশ্বৰ্যৰ সৃষ্টি কৰিব পাৰে কিন্তু শৈক্ষিক ক্ষমতাই ইয়াক মাত্ৰ দীৰ্ঘকাললৈ বৰ্তি থকা আৰু সমাজক ন্যায্যতা প্ৰদান কৰিব পাৰে।

**(গ) ৰাজনৈতিক অৱস্থা আৰু ইয়াৰ প্ৰভাৱ ঃ** এখন ৰাজ্যৰ প্ৰকৃতি, ৰাজনৈতিক দলসমূহ, ইয়াৰ আদৰ্শ আৰু নীতিয়ে এখন সমাজত শিক্ষা পদ্ধতি আৰু শিক্ষা নীতিৰ প্ৰকৃতিক আঙুলিয়াই দিয়ে। গণতান্ত্ৰিক ৰাজ্য এখনে গণতান্ত্ৰিক শিক্ষাৰ বিকাশৰ আদৰ্শক বিশ্বাস কৰে। অৱশ্যে জন্মগত অসমানতা হৈছে এই ৰাজ্যবোৰৰ দুৰ্বলতা। ভাৰতীয় গণতন্ত্ৰই এতিয়াও উমৈহতীয়া বিদ্যালয় ব্যৱস্থাৰ লক্ষ্যত উপনীত হোৱাত বিফল হৈছে বিশেষকৈ, পদমৰ্যাদাৰ বিভিন্নতাৰ বাবে বঞ্চিত আৰু উপান্ত লোকসকলে সমান সুযোগ লাভ কৰাৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে সমাজবাদী দেশসমূহে উমৈহতীয়া শিক্ষা পদ্ধতিৰ কথা উত্থাপন কৰে কিন্তু কাৰ্যতঃ ধৰ্মনিৰপেক্ষ তাৰ শিক্ষা দিয়াৰ বিপৰীতে


টোকা

নিজৰ ৰাজনৈতিক আদৰ্শৰ প্ৰশিক্ষণহে দিয়ে। ছোভিয়েট ৰাছিয়াৰ কম্যুনিষ্ট শাসন পদ্ধতি আৰু জাৰ্মানীৰ নাজি সমাজবাদী নীতি হৈছে ইয়াৰ উৎকৃষ্ট উদাহৰণ। 1933 চনত নাজি জাৰ্মান শিক্ষা পদ্ধতিৰ আৰ্হি এনেদৰে প্ৰস্তুত কৰা হৈছিল যাতে শিক্ষাৰ্থীসকলে বিনা বাক্য ব্যয়ৰে নাজি শিক্ষা বা তেওঁলোকৰ মূলমন্ত্ৰ গ্ৰহণ কৰে। একেধৰণে ছোভিয়েট গণতন্ত্ৰয়ো 1917 চনৰ পিছত তেওঁলোকৰ কম্যুনিষ্ট চিন্তাধাৰা দাৰাবাহিকতা বৰ্তাই ৰখাত শিক্ষাক ব্যৱহাৰ কৰিছিল আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহ সত্যৰ সন্ধানতকৈ ৰাজনৈতিক সামাজিকীকৰণৰ স্থানহে হৈছিল।

শিক্ষা পদ্ধতি আৰু ইয়াৰ বিকাশৰ ক্ষেত্ৰত ওপৰত দিয়া কাৰকসমূহৰ গভীৰ প্ৰভাৱ আছে। এই তিনিটা কাৰকৰ উপৰি সমাজৰ ইতিহাস, ভৌগোলিক অৱস্থা আৰু অন্যান্য বহু কাৰকে শিক্ষা পদ্ধতি আৰু সমাজৰ সৰ্বাংগীন উন্নয়নত পৰোক্ষভাৱে প্ৰভাৱ পেলায়। এই প্ৰভাৱসমূহ তথা দক্ষতা আৰু পৰিয়ালৰ নেপথ্যৰ পাৰ্থক্য সত্বেও, শিশুসকলে সমানে সন্মান, বিদ্যালয়ৰ সদস্য ভুক্তি আৰু তেওঁলোকৰ নিজা প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সমানেই অন্তৰ্ভুক্ত হ'বলৈ পোৱা উচিত।

শেহতীয়া এই শাখাত শিক্ষা প্ৰক্ৰিয়াত সমাজৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰিলে। বিশেষকৈ তিনিটা উপাদান সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাই শিক্ষা ব্যৱস্থাত পালন কৰা ভূমিকাৰ বিষয়েও অধ্যয়ন কৰিলে। এতিয়া আপোনাৰ অগ্ৰগতিৰ পৰীক্ষণৰ বাবে তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

টোকা ঃ (ক) আপোনাৰ উত্তৰ 50 টা শব্দৰ ভিতৰত লিখক

(খ) এই গোটৰ শেষত দিয়া সম্ভাব্য উত্তৰৰ লগত আপোনাৰ উত্তৰ মিলাই চাওক।

1. শিক্ষা ব্যৱস্থাক প্ৰভাৱান্বিত কৰা সামজিক সাংস্কৃতিক উপকৰণ সমূহ কি কি?
2. সমাজবাদী ৰাজ্যসমূহে কেনেকৈ শিক্ষা ব্যৱস্থাক প্ৰভাৱিত কৰে?

## 1.6. সাৰাংশ প্ৰস্তুত কৰণ ঃ

এই গোটটোত আপোনালোকে সমাজৰ ধাৰণা, ইয়াৰ মূল প্ৰতিষ্ঠান যেনে- পৰিয়াল, ধৰ্ম, শিক্ষা, ৰাজনৈতিক প্ৰতিষ্ঠান আৰু শিক্ষা ব্যৱস্থা আৰু সমাজৰ ওপৰত সেইবোৰৰ সংগঠিত ভূমিকা সম্পৰ্কেও অধ্যয়ন কৰিলে। আমি ভাৰতীয় সমাজৰ বিষয়েও অধ্যয়ন কৰিলো লগতে ই কেনেকৈ ইতিহাসত বিৱৰ্তনৰ সূচনা কৰিছে তাকো অধ্যয়ন কৰিলো। ইতিহাসে কেৱল ডাঙৰ ডাঙৰ ঘটনাবোৰকে চিত্ৰিত নকৰে ই ঐক্য আৰু অনৈক্যৰ বৈশিষ্ট্যৰে একক ভাৰতীয় সংস্কৃতিৰ চিত্ৰও দাঙি ধৰে। আমি জানো যে কোনো এখন সমাজ আৰু সমাজৰ শিক্ষা ব্যৱস্থাক জানিবৰ বাবে সংস্কৃতি হৈছে এক তাৎপৰ্যপূৰ্ণ বিষয়।

সমাজৰ আৰম্ভণিৰ পৰাই শিক্ষা আৰু সমাজৰ নিবিড় সম্পৰ্ক। এহাতে সমাজত

টোকা

ভিন ভিন সামাজিক ভূমিকা পালন কৰিবৰ বাবে শিক্ষাই ব্যক্তিক গঢ়ি তোলে আৰু অন্যহাতে সমাজ আৰু সংস্কৃতিয়ে সামাজিকীকৰণ প্ৰক্ৰিয়াক সুদৃঢ় কৰাৰ লগতে সদস্যসকলক জ্ঞান দিবৰ বাবে শিক্ষা প্ৰকৃতিকো সুদৃঢ় কৰে। সাধাৰণৰ পৰা সংযুক্তলৈকে সকলো সমাজৰে তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰিবৰ বাবে নিজা শিক্ষা ব্যৱস্থা থাকে আৰু সেই উদ্দেশ্যই প্ৰতিষ্ঠানসমূহ গঢ় দিয়ে। ওপৰত উল্লেখ কৰা শেষৰ দুটা শাখাত এই বোধ জগাবৰ বাবেই চেষ্টা কৰা হৈছে। প্ৰথমতে সংস্কৃতি আৰু জ্ঞান হস্তান্তৰকৰণৰ বাবে শিক্ষাই সমাজত বহুতো সামাজিক কাৰ্য বহন কৰে। পৃথিৱীৰ অন্য জীৱ-জন্তুতকৈ শিক্ষাই অকলেই মানুহৰ পাৰ্থক্য সৃষ্টি কৰে। দ্বিতীয়তে শিক্ষা ব্যৱস্থাত সমাজে ক্ষতিকাৰক ভূমিকা পালন কৰিছে।

## 1.7 আপোনাৰ অগ্ৰগতিৰ পৰীক্ষণৰ বাবে উত্তৰ লিখক

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1**

(i) সমাজ হৈছে সম্পৰ্কৰ নেটৱৰ্ক (জাল) যিয়ে মৰ্যাদা আৰু ভূমিকাৰে এই সম্পৰ্কবোৰ ব্যাখ্যা কৰে। মেকআইবাৰ আৰু পেজৰ মতে 'সমাজ হৈছে মানৰ আচৰণ আৰু স্বতন্ত্ৰতা নিয়ন্ত্ৰণৰ, বহুতো দল আৰু বিভাগৰ প্ৰশাসন প্ৰাধিকাৰী আৰু ৰাজহুৱা কোষ যিয়ে পৰম্পৰাগত নীতি আৰু কাৰ্য সাধন প্ৰণালীৰ এক ব্যৱস্থা হিচাবে কাম কৰে।'

(ii) পৰিয়াল হৈছে প্ৰতি সমাজতে থকা এটা মূল গোট। পৰিয়ালেই হৈছে শিশু শিক্ষাৰ প্ৰথম বিদ্যালয়। বৈবাহিক সম্বন্ধৰ দ্বাৰা ই ব্যক্তি আৰু সমাজৰ বাবে বহুতো ৰীতি নীতি আৰু কাৰ্য সাধন কৰে, সন্তান জন্মৰ বৈধতা প্ৰদান কৰে, শিশুৰ যত্ন লয়, মানৰ আচৰণৰ নিয়ন্ত্ৰণ কৰে আৰু অৰ্থনৈতিক গোট হিচাপে ভোগৰ বাবে কাৰ্য সাধন কৰে। ই অন্যান্য অনুষ্ঠান যেনে বিবাহ আৰু আত্মীয় স্বজনৰ লগতো নিজা ভূমিকা পালনৰ দায়িত্ব পালন কৰে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

(1) ভাৰতীয় সমাজক বুজি পাবলৈ তলত দিয়া ঐক্যৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ জনা প্ৰয়োজন

(ক) ভাৰতীয় উপ মহাদেশৰ ভৌগোলিক ঐক্য

(খ) ভাৰতীয় ইতিহাসৰ মাজেদি প্ৰতিফলিত হোৱা ৰাজহুৱা সাংস্কৃতিক উদ্যোগ।

(গ) গোটেই ভাৰতবৰ্ষ আবৰি থকা একক বৰ্ণ মডেল বা আৰ্হিৰ পৰা বৰ্ণ আশ্ৰম পদ্ধতি।

(ঘ) ভাৰতীয় উপ মহাদেশৰ সুদীৰ্ঘ ৰাজহুৱা ইতিহাসে ইয়াক অনুপম সাংস্কৃতিক পৰম্পৰা হিচাপে গঢ়ি তুলিছে। 5000 বছৰ পুৰণি সমাজ ব্যৱস্থাই সাংস্কৃতিক সমন্বয় আৰু আত্মীয়কৰণৰ যোগেদি নিজৰ অনুপমত্ব দেখুৱাই আহিছে।

(2) ঐতিহাসিকভাৱে ভাৰতবৰ্ষ এনে এখন ঠাই য'ত পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা

টোকা

বহুতো বিদেশী লোকৰ আগমন ঘটিছে, বিশেষকৈ ইউৰোপ আৰু এছিয়াৰ পৰা পাৰ্ছী, কুশান, মোগল, মঙ্গোলীয়, পৰ্তুগীজ, ব্ৰিটিছ, ফৰাচী, ডাটস আৰু অন্যান্য বহুতো।

**আপোনাৰ অগ্ৰগতি পৰীক্ষণ - 3**

(1) অসমানতা আৰু বৈষম্যক সামৰি সমাজৰ বিভিন্ন সমস্যাৰ সমাধানত শিক্ষাই এক উল্লেখযোগ্য ভূমিকা পালন কৰে। শিক্ষাৰ জৰিয়তে কোনো ব্যক্তিয়ে জ্ঞান আহৰণ কৰিব পাৰে আৰু নিজৰ অৰ্থনৈতিক অৱস্থা আৰু সামাজিক মৰ্যাদা সলনি কৰিব পাৰে। সেইবাবে, শিক্ষা মৰ্যাদাৰ উন্নীতকৰণৰে ব্যক্তিয়ে ক্ষমতা আহৰণ কৰিব পাৰে আৰু সবলীকৰণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। মহিলা সাক্ষৰতাৰ ক্ষেত্ৰত এইটো খুব স্পষ্ট আৰু মহিলা সবলীকৰণৰ বাবে আগভাগ লোৱা হৈছে। একেদৰে শিক্ষা, অৰ্থনৈতিক মৰ্যাদা আৰু স্বাস্থ্যৰ ওপৰতেই কোনো এটা অঞ্চলৰ উন্নয়ন বহু পৰিমাণে নিৰ্ভৰ কৰে।

(2) অৰ্থনৈতিক সম্পদ, সামাজিক প্ৰাচুৰ্য আৰু ৰাজনৈতিক স্থিৰতাক লৈ শিক্ষা হৈছে সমাজৰ বুনিয়াদ। কোনো এখন সমাজৰ উন্নয়নৰ মুখ্য দিশ হৈছে শিক্ষা আৰু ই কোনো এক অঞ্চলৰ সামগ্ৰীক উন্নয়নৰ উল্লেখযোগ্য সূচক। শিক্ষাই আমাক জ্ঞান দিয়ে আৰু জ্ঞানেই ক্ষমতা। কোনো এজন ব্যক্তি বা সমাজৰ উন্নয়ন বা বিকাশৰ স্তৰ বিচাৰ কৰি চোৱাৰ বাবে শিক্ষা হৈছে গুৰুত্বপূৰ্ণ নিৰ্ণায়ক। বিশ্বজুৰি গ্ৰহণ কৰা এই সত্যৰ বিষয়ে বিশ্ব উন্নয়ন প্ৰতিবেদন, মানৱ উন্নয়ন প্ৰতিবেদন আৰু সামাজিক উন্নয়ন প্ৰতিবেদনত চাব পাৰি।

**আপোনাৰ অগ্ৰগতি পৰীক্ষণ - 4**

(1) যিকোনো সমাজৰে সাংস্কৃতিক সামাজিক কাৰকসমূহৰ লগত সেই সমাজৰ শিক্ষাৰ পোনপটীয়া সহ সম্বন্ধ আছে। শিক্ষা পদ্ধতিয়ে ইয়াৰ সামাজিক গঠন, সামাজিক মান আৰু মূল্যবোধ ব্যৱস্থাৰ দিশত এক বিৱৰ্তনৰ সূচনা কৰে। বিদ্যালয় হৈছে মানৱ সমাজৰ দ্বাৰা গঢ় লোৱা এনে এক সৃষ্টি যিয়ে প্ৰচলিত সংস্কৃতিক এটা প্ৰজন্মৰ পৰা অন্য এটা প্ৰজন্মলৈ হস্তান্তৰ কৰে। এনেদৰে, বিদ্যালয় হৈছে সমাজ, শিক্ষক, শিক্ষাৰ্থী আৰু পিতৃ-মাতৃৰ এক অংশ যাক একেই অসমান আৰু স্তৰীভূত সমাজৰ পৰাই গঢ় দিয়া হয়। বিদ্যালয়সমূহ অকলশৰে চলিব নোৱাৰে।

(2) ৰাজ্য এখনৰ প্ৰকৃতি, ৰাজনৈতিক দলসমূহ আৰু তেওঁলোকৰ আদৰ্শ আৰু নীতিয়ে সমাজত শিক্ষা ব্যৱস্থাৰ প্ৰকৃতি আৰু নীতি পৰিচালনা কৰে। সমাজবাদী ৰাজ্যসমূহে উমৈহতীয়া শিক্ষা ব্যৱস্থাৰ কথা কয় কিন্তু ধৰ্মনিৰপেক্ষতাৰ বিপৰীতে তেওঁলোকে নিজা ৰাজনৈতিক আদৰ্শৰ হে প্ৰশিক্ষণ দিয়ে। 1933 চনত নাজি জাৰ্মান শিক্ষা ব্যৱস্থাৰ বিদ্যালয়সমূহৰ এনেদৰে আৰ্হি প্ৰস্তুত কৰা হৈছিল যে ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰশ্নৰে নাজি মতবাদ গ্ৰহণ কৰিব পাৰিব পাৰে। একেধৰণে 1917 চনৰ পিছত ছোভিয়েট গণতন্ত্ৰই তেওঁলোকৰ বাঁওপন্থী চিন্তাৰ ধাৰাবাহিকতা ৰাখিবৰ বাবে শিক্ষাক ব্যৱহাৰ কৰিছিল আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহ 'সত্য অন্বেষণ'ৰ বিপৰীতে ৰাজনৈতিক সামাজিকীকৰণ স্থানলৈ পৰ্যবসিত হৈছিল।

টোকা

## 1.8 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি

Dube, S.C. (1996) Indian society, National Book Trust, New Delhi

MacIver, R. M. and Page, C.H. (1996) Society: An Introductory Analysis,

Macmillan India, Madras

Apple, Michael (2004) Ideology and Curriculum, Rutledge, New York

Kumar, Krishna (1992) What is Worth Teaching? Orient Longman, New Delhi

Antonio Gramsci, David Forgacs, Eric J. Hobsbawm (2000) the Antonio Gramsci

Reader: Selected Writings, 1916-1935, New York University Press

Paul Freire (1970) Pedagogy of the Oppressed, (translated in 1982) Seabury Press,

New York

K.S Singh (1991) The People of India, Anthropological Survey of India,

Government of India, New Delhi

## 1.9 পাৰিভাষিক শব্দৰ তালিকা

**(1) সম্প্ৰদায় ঃ** এটা নিৰ্দিষ্ট ভৌগোলিক স্থানত একেলগে বাস কৰা আৰু একেটা সংস্কৃতিকে উমৈহতীয়াকৈ বিনিময় কৰা মানুহৰ দল, যাক আমি সম্প্ৰদায় বুলি কওঁ। ইয়াক গাঁও, নগৰ, জনজাতি বা জাতি হিচাবে কোৱা যায়।

**(2) সামাজিকীকৰণ ঃ** এইটো হৈছে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে পৰিয়াল আৰু সম্প্ৰদায়ে তেওঁলোকৰ নৱ প্ৰজন্মক শিক্ষিত কৰে। য'ত সমাজৰ সদস্যসকলক সামাজিক মান, মূল্যবোধৰ বিষয়ে প্ৰশিক্ষণ দিয়া হয়। সামাজিক মান আৰু মূল্যবোধ বহু সময়ত বিধিসন্মত বিচাৰৰ আইন আৰু নীতি হিচাবেও গ্ৰহণযোগ্য হয়। যি কি নহওক সময়ৰ পৰিৱৰ্তনৰ লগতে সমাজো পৰিবৰ্তন হয়।

**(3) আনুষ্ঠানিক শিক্ষা ঃ** আনুষ্ঠানিক শিক্ষা হৈছে পদ্ধতিগত আৰু সংগঠিত শিক্ষা আৰ্হি। ইয়াৰ গঠন আৰু প্ৰশাসন এক আইন আৰু নীতিৰ দ্বাৰা চলে। উদ্দেশ্য আৰু পদ্ধতিৰে এক অনমনীয় পাঠ্যক্ৰম ইয়াৰ অন্তৰ্ভুক্ত হৈ থাকে। আমাৰ বিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে বান্ধি দিয়া শিক্ষা ব্যৱস্থাৰ লগত সাধাৰণভাৱে ই যোগাযোগ ৰাখে।

**(4) অনৌপচাৰিক শিক্ষা ঃ** আনুষ্ঠানিক শিক্ষাৰ দৰে অনৌপচাৰিক শিক্ষাৰ নিৰ্দিষ্টভাৱে বৰ্ণনা কৰা কঠিন। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিবিচাৰে। শিক্ষক-শিক্ষাৰ্থীৰ মাজৰ যোগসূত্ৰক ই নিম্নগামী কৰে আৰু বহুতো ক্ৰিয়া কলাপেই প্ৰতিষ্ঠানৰ বাহিৰত কৰিব পাৰে। উদাহৰণ স্বৰূপে ঘৰতে পঢ়া আৰু অন্যান্য নিৰ্দিষ্টকৈ কৰিবলৈ দিয়া কাম আদি।



টোকা

এই শিক্ষা নমনীয় পাঠ্যক্রম আৰু পদ্ধতিৰ দ্বাৰা পৰিচালিত। ই ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন, আগ্ৰহৰ ওপৰত নিৰ্ভৰশীল। ইয়াক শিক্ষাৰ্থীয়ে নিজৰ গতি আৰু সুবিধাৰ বাবে গ্ৰহণ কৰে। মুক্ত আৰু দূৰ শিক্ষা পদ্ধতিৰ বৈশিষ্ট্যই হৈছে অনৌপচাৰিক শিক্ষাৰ পৰিসৰ অন্তৰ্ভুক্ত।

## 1.10 গোট সমাপ্তিৰ অনুশীলন

(1) সমাজৰ বিভিন্ন প্ৰতিষ্ঠানৰ ভূমিকা ব্যাখ্যা কৰক

(2) ভাৰতীয় সমাজৰ অনৈক্যৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক

(3) সমাজৰ উন্নয়নতশিক্ষাৰ মুখ্য ভূমিকা সম্পৰ্কে আলোচনা কৰক

(4) আনুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষাৰ মাজত পাৰ্থক্য আলোচনা কৰক।

(5) সামাজিকীকৰণ আৰু শিক্ষা কেনেদৰে সহ সম্বন্ধিত?

*****